بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ    نَحْمَدُهٗ وَنُصَلِّي عَلٰى رَسُوْلِهِ الْكَرِيْمِ    وَعَلٰى عَبْدِهِ الْمَسِيْحِ الْمَوْعُوْدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আই৪) য়ে ২০১৯ চনৰ ২৭ ডিচেম্বৰত মছজিদ মোবাৰক ইছলামাবাদ টলফোৰ্ড বৃটেইনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ,তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে - যোৱা জুমাৰ খোতবাত মই হজৰত ছঈদ বিন আবাদা (ৰাঃ)ৰ স্মৃতি চাৰণ কৰিছিলো আজিও তেখেত (ৰাঃ)ৰ বিষয়ে আলোচনা আগবঢ়াম। হজৰত ছঈদ বিন আবাদা (ৰাঃ)ৰ বয়াতে উকবাৰ সময়ত নিযুক্ত কৰা ১২ প্ৰতিনিধিৰ ভিতৰত এজন আছিল। তেখেত (ৰাঃ) খজৰজ কবিলাৰ এটা গোত্ৰ বণু ছাআদাৰ লোক আছিল আৰু খজৰজ কবিলাৰ এজন চৰদাৰ আছিল। এখেত (ৰাঃ) আঁহজৰত (ছাঃ)ৰ সৈতে শপত পালন কৰাত উচ্চ পৰ্যায়ৰ আনছাৰ সকলৰ মাজত গণ্য হৈছিল। ইমানেই যে আঁহজৰত (ছাঃ)ৰ মৃত্যুৰ পিছত আনছাৰ সকলৰ কিছুমান এখেত (ৰাঃ)ৰ নাম খিলাফত আসনত অধিষ্ঠিত হোৱাৰ নিমিত্তে প্ৰস্তাৱ কৰিছিল। হজৰত উমৰ (ৰাঃ)ৰ খিলাফত কালত হজৰত ছঈদ বিন আবাদা (ৰাঃ)ৰ মৃত্যু হৈছিল।

হজৰত ছঈদ বিন আবাদা, মনজৰ বি উমৰু আৰু আবু দাজানা (ৰাঃ)য়ে ইছলাম গ্ৰহন কৰাৰ পিছত নিজৰ কবিলাৰ অৰ্থ্যাৎ বণু ছাআদৰ পুজ্য মুৰ্ত্তি সমুহ ভাঙি পেলাইছিল। মদিনালৈ হিজৰত কৰি যোৱাৰ সময়ত আঁহজৰত (ছাঃ)য়ে যেতিয়া বণু ছাআদৰ বস্তিৰ কাষেদি গৈ আছিল তেতিয়া হজৰত ছঈদ বিন আবাদা,হজৰত মনজৰ বিন উমৰু আৰু হজৰত দাজানা (ৰাঃ)য়ে আবেদন জনাইছিল যে ইয়া ৰছুলুল্লাহ (ছাঃ) আপুনি আমাৰ ওচৰলৈ আহক আমাৰ মান মৰ্যাদা, ধন দৌলত, বল বীৰ্য্য, সকলো আছে। হজৰত ছঈদ বিন আবাদা (ৰাঃ)য়ে এয়াও নিবেদন কৰিছিল যে ইয়া ৰছুলুল্লাহ (ছাঃ) আমাৰ সম্প্ৰদায়ত এনে কোনো লোক নাই যে মোতকৈ বেছি খেজুৰ বাগান, আৰু কুৱা আছে। ইয়াৰ লগতে ধন মাল, শক্তি আৰু জন বেছি আছে। এয়া শুনি আঁহজৰত (ছাঃ)য়ে কৈছিল - হে আবু ছাবিত, এই উটনিক বাট এৰি দিয়া, এয়া অদিষ্ট হৈ আছে, এওঁ নিজৰ ইচ্ছানুযায়ী গৈ থাকিব।

আঁহজৰত (ছাঃ)য়ে হজৰত ছঈদ বিন আবাদাহ আৰু তালিব বিন উমিৰ (ৰাঃ)ৰ মাজত ভাতৃত্ব বন্ধন স্থাপন কৰি দিছিল। তালিব বিন উমিৰ (ৰাঃ)মক্কাৰ পৰা হিজৰত কৰি মদিনালৈ আহিছিল। উল্লেখ আছে যে আউচ আৰু খজৰজ কবিলাত একমাত্ৰ অলিম আকৌ তাৰ পুত্ৰ আবাদা আকৌ ইয়াৰ পুত্ৰ ছইদ আকৌ এখেতৰ পুত্ৰ কায়েছৰ বাদে এনে কোনো ঘৰ নাছিল যে যত চাৰিজনকৈ লোক একেলগে বাস কৰা নাছিল। যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে মদিনালৈ গমন কৰিছিল তেতিয়া ছঈদ (ৰাঃ)য়ে প্ৰত্যহ মাংস আৰু ছৰিদৰ ডাঙৰ পিয়লা এখনকৈ পঠাই দিছিল আৰু তাৰ মাজত বেছি ভাগেই আছিল মাংসৰ পিয়লা (প্লেট)ˉ ছঈদ (ৰাঃ)ৰ এই মাংসৰ প্লেট ৰছুলুল্লাহ (ছাঃ)ৰ লগতে তেখেত (ছাঃ)ৰ পত্নী সকলৰ আলয়লৈও পঠোৱা হৈছিল। হজৰত জায়েদ (ৰাঃ)য়ে কৈছে যে আমি বণু মালিক বিন নজৰাৰ ঘৰত থাকিছিলো আৰু আমাৰ মাজৰ পৰা তিনি চাৰিজনে প্ৰত্যেক ৰাতিত আঁহজৰত (ছাঃ)ৰ কাৰণে এজনকৈ এজনকৈ আহাৰলৈ লৈ গৈছিলো। এনেদৰে ৰছুলুল্লাহ (ছাঃ)য়ে সাত মাহ কাল হজৰত আবু আয়ুব আনছাৰীৰ ঘৰত কটাইছিল। উক্ত দিনবোৰত হজৰত ছঈদ বিন আবাদা (ৰাঃ)আৰু হজৰত আছিদ বিন জাৰাৰাহৰ প্লেট দৈনিক আঁহজৰত (ছাঃ)ৰ কাৰণে আহিছিল আৰু এই সময়ছোৱাত কেতিয়াও ইয়াৰ বিৰতি পৰা নাছিল। হজৰত জায়েদ (ৰাঃ)য়ে কৈছে যে - এদিন হজৰত আয়ুব (ৰাঃ)য়ে মোক কৈছিল যে এখন ৰাতিত হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ৰ কাৰণে এখন (প্লেট) পঠাইছিল যিখন প্লেটত তফিচল আছিল অৰ্থ্যাৎ এক প্ৰকাৰৰ জোল আঞ্জা। তেখেত (ছাঃ)য়ে পেট ভৰাই খাইছিল। মই তেখেত (ছাঃ)ক ইয়াৰ আগত কেতিয়াও এনেদৰে পেট ভৰাই পান কৰোঁতে দেখা নাছিলো। ইয়াৰ পিছত আমিও আঁহজৰত (ছাঃ)ৰ কাৰণে এনে জোল বনাইছিলো।

হজৰত আনিছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে এবাৰ নবী কৰিম (ছাঃ)য়ে হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)ৰ ঘৰলৈ গৈছিল আৰু আচ্ছালামু আলায়কুম ওৰা ৰহমাতুল্লাহে কৈছিল। হজৰত ছঈদ (ৰাঃ)য়ে লাহেকৈ ওয়া আলায় কুমাচ্ছালাম ওয়া ৰাহমাতুল্লাহ কৈছিল কিন্তু সেয়া ৰছুলুল্লাহ (ছাঃ)য়ে শুনিবলৈ পোৱা নাছিল গতিকে নবী কৰিম (ছাঃ)য়ে তিনি বাৰ ছালাম দিছিল

আৰু ছঈদ (ৰাঃ)য়ে তিনি বাৰেই নিম্নস্বৰে উত্তৰ দিছিল, যি নবী (ছাঃ) শুনা নাছিল। যাৰ ফলত নবী কৰিম (ছাঃ)য়ে ওভতি বাট ধৰিছিল। হজৰত ছঈদ (ৰাঃ)য়ে তেখেত (ছাঃ)ৰ পিছে পিছে গৈছিল আৰু কৈছিল ইয়া ৰছুলুল্লাহ (ছাঃ) মই মোৰ মাক দেউতা আপোনাত উচ্ছৰ্গীত আপুনি যি কেইবাৰ ছালাম কৰিছে, মই নিজ কাণেৰে শুনিছো আৰু তাৰ উত্তৰ দিছো কিন্তু আপোনাক শুনোৱা নাই। মই বিচাৰিছিলো যে মই আপোনাৰ ওপৰত বাৰে বাৰে শান্তি আৰু বৰকতৰ দোৱা কৰোঁ। ইয়াৰ পিছত তেখেত (ৰাঃ)য়ে নবী (ছাঃ)ক নিজৰ ঘৰলৈ ওভতাই নিছিল আৰু কিচমিচ খাবলৈ দিছিল। নবী কৰিম (ছাঃ)য়ে সেয়া খোৱাৰ পিছত দোৱা কৰি কৈছিল যে তোমাৰ খাদ্য যেন নেক লোক সকলে খায় আৰু ফিৰিস্তাই যেন তোমাৰ ওপৰত দোৱা কৰি থাকে আৰু ৰোজাদাৰ সকলে যেন তোমাৰ ঘৰত ইফতাৰ কৰি থাকে।

আল্লামা ইবনে ছিৰিন বৰ্ণনা কৰিছে যে চফহাৰ বাসিন্দা সকলে গধূলি বেলা তেওঁলোকৰ মাজৰ পৰা এজন বা দুজনক কোনোবাই ভোজন কৰোৱাবলৈ লৈ গৈছিল যাতে হজৰত ছঈদ বিন আবাদাহ সেই চফিহাৰ বাসিন্দা সকলক খোৱাবলৈ নিজৰ লগত লৈ যায়।

আঁহজৰত (ছাঃ)য়ে মদিনালৈ অহাৰ এবছৰ পিছত চফৰ মাহত আবুয়াৰ যুদ্ধলৈ যাত্ৰা কৰিছিল। এই আবুয়া ঠাইখন মদিনাৰ পৰা মক্কালৈ যোৱাৰ বাটত শ্বাহিৰা জোহফাৰ পৰা ২৩ মাইল মান দুৰত অৱস্থিত। ইয়াতেই নবী কৰিম (ছাঃ) মাক হজৰত আমিনাৰ কবৰও অৱস্থিত। এই সময়তেই ৰছুলুল্লাহ (ছাঃ)য়ে হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)ক মদিনাত নিজৰ উত্তৰাধীকাৰী বা আমিৰ নিযুক্ত কৰিছিল। আবুয়াৰ এই যুদ্ধক উদানৰ যুদ্ধ বুলিও বৰ্ণনা কৰা হয়।

জীৱনী খাতামান্নাবীঈন পুস্তকত হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ চাহাবে উদানৰ যুদ্ধ সম্পৰ্কে বৰ্ণনা কৰোঁতে লিখিছে যে হজৰত ছঈদ বিন আবাদাহ (ৰাঃ) যুদ্ধ অহুদ, খন্দক আদিকৰি সকলো যুদ্ধতেই ৰছুলুল্লাহ (ছাঃ)ৰ লগত অংশ গ্ৰহন কৰিছিল। আন এটা ৰোৱায়েতত উল্লেখ আছে যে বদৰৰ যুদ্ধৰ দিনা আনছাৰ সকলৰ পতাকা হজৰত ছঈদ বিন আবাদা (ৰাঃ)ৰ হাতত আছিল।

বদৰৰ যুদ্ধলৈ যাত্ৰা কালত হজৰত ছঈদ বিন আবাদা (ৰাঃ)য়ে আজব নামৰ তৰোৱালখন ৰছুলুল্লাহ (ছাঃ)ক উপহাৰ স্বৰূপে দিছিল। নবী কৰিম (ছাঃ)ৰ ওচৰত সাতোটা যুদ্ধ কবচ (যুদ্ধত পিন্ধা পোছাক) আছিল। তাৰে এখনৰ নাম আছিল যাতুল ফজুল। যিখন হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ক পঠাইছিল। এয়াই আছিল সেই পোছাক যি আঁহজৰত (ছাঃ)য়ে আবু স্বাম নামৰ ইহুদী জনৰ ওচৰত ৩০ ছাআ জাওঁৰ পৰিবৰ্ত্তে এবছৰলৈ বন্ধকত ৰাখিছিল। হজৰত ইবনে আববাছৰ পৰা বৰ্ণিত আছে যে নবী কৰিম কৰিম (ছাঃ)ৰ পতাকা হজৰত আলি (ৰাঃ)ৰ হাতত আৰু আনছাৰ সকলৰ পতাকা হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)ৰ হাতত আছিল আৰু যেতিয়া তমুল যুদ্ধ আৰম্ভ হৈছিল তেতিয়া নবী কৰিম (ছাঃ)য়ে আনছাৰ সকলৰ পতাকা তলত অৱস্থান কৰিছিল।

হজৰত উছামা বিন জায়েদৰ পৰা বৰ্ণিত আছে যে ৰছুলুল্লাহ (ছাঃ)য়ে এটা গাধত আৰোহন কৰি হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)ৰ বেমাৰ হোৱা দেখিবলৈ গৈছিল। তেখেত (ছাঃ)য়ে এনেকুৱা এখন বৈঠকৰ কাষেদি পাৰ হৈ গৈছিল যত আব্দুল্লাহ বিন আবি বিন ছলোল উপস্থিত আছিল। আব্দুল্লাহ তেতিয়া মুছলমান হোৱা নাছিল। তেখেত (ছাঃ)য়ে আৰোহন কৰি থকা গাধটোৰ খোজত ধূলি উৰিছিল তেতিয়া আব্দুল্লাহ বিন আবি বিন ছলোল নিজৰ চাদৰেৰে নিজৰ নাক ঢাকিছিল আৰু কৈছিল যে আমাৰ ওপৰত ধূলি উৰুৱাই নিদিবা। নবী কৰিম (ছাঃ)য়ে তেওঁলোকক ছালাম দিছিল আৰু গাধৰ পিঠিৰ পৰা নামিছিল। তেখেত (ছাঃ)য়ে তেওঁলোকক আল্লাহ তায়ালাৰ ফালে আববান কৰিছিল আৰু কোৰ-কৰিম পাঠ কৰি শুনাইছিল। আব্দুল্লাহ বিন আবি বিন ছলোলে কৈছিল যে আমাৰ বৈঠকত আহি আমাক দিগদাৰি নিদিবা ।নিজৰ ঠিকনালৈ যোৱাগৈ। যিজনে তোমাৰ ওচৰলৈ যায় তাক এইবোৰ শুনাবা। হজৰত আব্দুল্লাহ বিন ৰওয়াহা সেই বৈঠকত বহি আছিল। তেখেত (ৰাঃ)য়ে এয়া শুনি কৈছিল যে নহয়। ইয়া ৰছুলুল্লাহ ! আমাৰ এই বৈঠকত আহি আপুনি আমাক সেয়া পঢ়ি শুনাওঁক। এই বিষয়টোলৈ মুছলমান, মুশৰিক আৰু ইহুদী সকলৰ মাজত বৰ বাক-বিতণ্ডা হৈছিল আৰু এনেকুৱা পৰিবেশ হৈ পৰিছিল যে এজনে আনজনক আক্ৰমণ কৰি পেলায়। কিন্তু নবী কৰিম (ছাঃ)য়ে তেওঁলোকৰ সেই আবেগক প্ৰতিৰোধ কৰিছিল। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে হজৰত ছঈদ বিন আবাদাৰ ওচৰত গৈছিল আৰু তেওঁক এই সকলো বিৱৰি শুনাইছিল। হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)য়ে কৈছিল ইয়া ৰছুলুল্লাহ (ছাঃ) আপুনি তেওঁলোকক ক্ষমা কৰি দিয়ক আৰু তেওঁলোকৰ ওপৰত দয়া কৰক।

সেই বস্তিৰ লোক সকলে আব্দুল্লাহ বিন আবি বিন ছলোলক নিজৰ চৰদাৰ বনোৱাৰ সিদ্ধান্ত লৈছিল কিন্তু আল্লাহ তায়ালা যেতিয়া এয়া গ্ৰহন কৰি লোৱা নাছিল তেতিয়া তেওঁ হিংসাৰ দাবালনত জ্বলি পুৰিছিল। গতিকে তেওঁ এনে আচৰণ কৰিছে যি আপুনি দেখিছে। এই কথাবোৰ শুনি নবী কৰিম (ছাঃ)য়ে তেওঁলোকক ক্ষমা কৰি দিছিল। তেখেত (ছাঃ) আৰু চাহাবা সকলে মুশৰিক আৰু কিতাপ পোৱা সকলক সদায় কৰিছিল আৰু তেওঁলোকৰ বাঢ়াবাঢ়িত ধৈৰ্য ধাৰণ কৰিছিল।

বদৰৰ যুদ্ধৰ সময়ত নবী কৰিম (ছাঃ)য়ে যেতিয়া চাহাবা সকলৰ লগত বুজা পৰামৰ্শ কৰিছিল তেতিয়া হজৰত ছঈদ বিন আবাদা (ৰাঃ)য়ে কৈছিল - ইয়া ৰছুলুল্লাহ আপুনি আমাৰ পৰা পৰামৰ্শ বিচাৰিছে - সেই সত্তাৰ কছম ! যাৰ হাতত মোৰ প্ৰাণ ! যদি আপুনি আমক সাগৰৰ গৰ্ভত ঘোঁৰা চলাই দিবলৈ আদেশ দিয়ে (তেন্তে আমি তালৈকে ঘোঁৰা চলাই যাম) । ৰাবী কৈছে যে ৰছুলুল্লাহ (ছাঃ)য়ে লোকক মাতিছিল আৰু তেওঁলোকে গৈ বদৰ প্ৰান্তত উপস্থিত হৈছিল। হজৰত আনিছ (ৰাঃ)ৰ পৰা বৰ্ণিত আছে যে বদৰৰ যুদ্ধৰ সময়ত আঁহজৰত (ছাঃ)য়ে শত্ৰু সকলৰ নাম লৈ লৈ কৈছিল যে তেওঁ ইয়াত বধ হব আৰু এওঁ ইয়াত নিহত হব। তেখেত (ছাঃ)য়ে নিজৰ হাত জমিনৰ ওপৰত পাৰি দিছিল আৰু উক্ত কথাৰ ভৱিষ্যত বাণী কৰিছিল যে ইয়াতে ইয়াতে পৰিব। ৰাবী কৈছে যে সেই সকলৰ কোনেওঁ নিজৰ ঠাইৰ পৰা ইফাল সিফাল হোৱা নাছিল।

হজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে অহুদৰ যুদ্ধৰ আগত এদিন জুমাৰ দিনা আবেলি হজৰত ছাআদ বিন মুৱাজ হজৰত উছিদ বিন হজিৰ আৰু হজৰত ছঈদ বিন আবাদাহ (ৰাঃ) মছজিদ নববীত অস্ত্ৰ-শস্ত্ৰ লৈ ৰছুলুল্লাহ (ছাঃ)ৰ দুৱাৰ মুখত ৰাতি পুৱালৈকে পহৰা দিছিল। অহুদৰ যুদ্ধৰ বাবে যেতিয়া নবী কৰিম (ছাঃ)য়ে মদিনাৰ পৰা যাত্ৰা কৰিবলৈ লৈছিল তেতিয়া হজৰত ছাআদ বিন মুৱাজ আৰু হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)য়ে তেখেত (ছাঃ)ৰ আগে আগে দৌৰি গৈছিল। অহুদৰ যুদ্ধৰ সময়ত যি সকল চাহিবায় ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত দৃঢ়তাৰে বুকু ডাঠি থিয় আছিল তেওঁলোকৰ মাজত হজৰত ছঈদ বিন আবাদাও এজন আছিল। যেতিয়া তেখেত (ছাঃ)য়ে অহুদৰ পৰা মদিনালৈ ওভতিছিল আৰু নিজৰ ঘোঁৰাৰ পৰা নামিছিল তেতিয়া তেখেত (ছাঃ)য়ে হজৰত ছাআদ বিন মুআজ আৰু হজৰত ছঈদ বিন আবাদাহৰ সহায়লৈ নিজৰ ঘৰৰ ভিতৰত প্ৰৱেশ কৰিছিল। হজৰত জাকিৰ বিন আব্দুল্লাহ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে হমৰাল আছিদৰ যুদ্ধত আমাৰ ওচৰত মাত্ৰ বাটতে লগ খেজুৰখিনি আছিল। সেই সময়ত হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)য়ে ত্ৰিছটা উট আৰু খেজুৰ আগবঢ়াইছিল, যিখিনি হমৰাল আছিদ পৰ্য্যন্ত আমাৰ বাবে যথেষ্ট হৈছিল।

চন চাৰি হিজৰিৰ ৰবিউল আউৱাল মাহত বণু নজিৰৰ যুদ্ধ সংগঠিত হৈছিল। নবী কৰিম (ছাঃ)য়ে ইহুদী কবিলা বণু নজিৰৰ দুৰ্গ ১৫ দিন লৈকে ঘেৰাও কৰি ৰাখিছিল। সেই সময়ত যুদ্ধ লব্ধ মালামাল প্ৰাপ্ত হৈছিল তেতিয়া তেখেত (ছাঃ)য়ে হজৰত ছাবিত বিন কায়েছক মাতি আনি কৈছিল যে মোৰ সম্প্ৰদায়ক মোৰ ওচৰলৈ মাতি আনা। গতিকে তেখেত (ৰাঃ)য়ে আউচ আৰু খজৰজ সকলক তেখেত (ছাঃ) ওচৰত মাতি আনিছিল। ৰছুলুল্লাহ (ছাঃ)য়ে আল্লাহ তায়ালাৰ শলাগ লৈছিল আৰু আনছাৰ সকলৰ সহানুভূতিৰ বিষয়ে উল্লেখ কৰিছিল, যি সহানুভূতি তেওঁলোকে মুহাজেৰিণ সকলৰ ওপৰত দেখুৱাইছিল। আকৌ তেখেত (ছাঃ)য়ে কৈছিল যে যদি তোমালোকে পছন্দ কৰা তেন্তে মই বণু নজিৰৰ পৰা প্ৰাপ্ত হোৱা ধনমাল তোমালোকে আৰু মুহাজেৰিণ সকলৰ মাজত সমানে বণ্টন কৰিম। এনে অৱস্থাত মুহাজেৰিন সকলে আগৰ দৰে তোমালোকৰ ঘৰ আৰু সা-সম্পত্তিৰ চলি থাকিব। আনহাতে যদি তোমালোকে বিচৰা তেন্তে এই ধনমাল কেৱল মুহাজেৰিণ সকলক বিতৰণ কৰি দিম আৰু ইয়াৰ পৰিবৰ্তে মুহাজেৰিণ সকলে তোমালোকৰ ঘৰৰ পৰা ওলাই যাব। এয়া শুনি হজৰত ছঈদ বিন আবাদাহ (ৰাঃ) আৰু হজৰত ছাআদ বিন মুৱাজ (ৰাঃ) দুয়োজনে আবেদন কৰিছিল যে ইয়া ৰছুলুল্লাহ (ছাঃ) আপুনি এই ধনমাল মুহাজেৰিণ সকলক বিতৰণ কৰি দিয়ক আৰু তেওঁলোকে আমাৰ ঘৰত আগৰ দৰেই থাকিব। তেতিয়া আনছাৰ সকলে উচ্চস্বৰে আবেদন কৰিছিল যে ইয়া ৰছুলুল্লাহ (ছাঃ) আমি এই কথাত সন্মত আছো আৰু ইয়াৰ বাবে মূৰ দোৱাইছো। তেতিয়া ৰছুলুল্লাহ (ছাঃ) য়ে কৈছিল হে আল্লাহ আনছাৰ আৰু আনছাৰ সকলৰ সন্তান সন্ততিৰ ওপৰত (ৰহম) দয়া কৰা।

হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)ৰ মাক হজৰত হমিৰা বিনতে মাছুদৰ সেই সময়ত মৃত্যু হৈছিল যেতিয়া ৰছুলুল্লাহ (ছাঃ)য়ে দোমাতুল জিনদলৰ যুদ্ধৰ বাবে গৈছিল। এই যুদ্ধ চন চাৰি হিজৰিৰ ৰবিউল আউৱাল মাহত সংগঠিত হৈছিল। হজৰত ছঈদ বিন আবাদাহ এই যুদ্ধত আঁহজৰত (ছাঃ)ৰ লগত আছিল। হজৰত ছঈদ (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ক জনাইছিল যে মোৰ মাকৰ মৃত্যু হৈছে আৰু মই বিচাৰো যে আপুনি নমাজে জানাজা পঢ়াওক। তেতিয়া আঁহজৰত (ছাঃ)য়ে নমাজে জানাজা

পঢ়াইছিল অথচ তাইৰ মৃত্যু হোৱাৰ এক মাহ পাৰ হৈ গৈছিল। হজৰত ছায়েদ বিন মছিৰৰ পৰা বৰ্ণিত আছে যে হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ক জনাইছিল যে তেখেতৰ মাকে অচিয়ত কৰা নাছিল, গতিকে যদি মই মোৰ মাকৰ নিমিত্তে চদকা কৰোঁ তেন্তে তাইৰ বাবে লাভ হবনে? তেখেত (ছাঃ)য়ে উত্তৰ দিছিল হয় হব। তেতিয়া হজৰত ছঈদ (ৰাঃ)য়ে সুধিছিল যে কোন ধৰণৰ ছদকা আপুনি বেছি পছন্দ কৰে। তেখেত (ছাঃ)য়ে কৈছিল পানী পান কৰোঁৱা। তেতিয়া হজৰত ছঈদ (ৰাঃ)য়ে এখন কুৱা খন্দাইছিল আৰু কৈছিল যে এয়া উম্মে ছঈদৰ নিমিত্তে খন্দা হল।

আল্লামা আবু তৈয়ব সামচুল হক আজিমাবাদীয়ে আবুদাউদৰ হাশিয়াত লিখিছে যে আঁহজৰত (ছাঃ)য়ে যেতিয়া এয়া কৈছিল যে সৰ্বোধকৃষ্ট ছদকা হল পানী, ইয়াৰ একমাত্ৰ কাৰণ এয়া আছিল যে সেই সময়ত পানীৰ বৰ অভাৱ আছিল। পানীৰ ছদকা তেখেত (ছাঃ)যে এই কাৰণেই উৎকৃষ্ট বুলি কৈছিল যে পানী দ্বিনী আৰু পাৰ্থিব বিষয়ত বেছি কল্যানকৰ বস্তু বিশেষকৈ এই গৰম অঞ্চলৰ বাবে। মদিনাত গৰমক প্ৰকোপত সাধাৰণ প্ৰয়োজন আৰু পানীৰ অভাৱৰ বাবে পানীক বৰ মূল্যবান বুলি ধৰা হয়। পানী আজিও মূল্যবান হিচাপে পৰিগণিত হৈ আছে। যাৰ ফলত পানী চৰকাৰৰ ফালৰ পৰাও সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰা উচিত। হজৰত ইবনে আববাছ বৰ্ণনা কৰিছে যে হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)য়ে আঁহজৰত (ছাঃ)ক সুধিছিল যে মই মোৰ মাকৰ ফালৰ পৰা কিবা ছদকা কৰিলে তাইৰ কল্যান হবনে? তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল যে হয় হব। তেতিয়া হজৰত ছঈদ (ৰাঃ)য়ে কৈছিল যে মোৰ মোখাৰৰফ বাগান খন মোৰ মাকৰ ফালৰ পৰা ছদকা কৰিলো। হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে হজৰত ছঈদ বিন আবাদাহ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা আগলৈও চলিব ইনশা আল্লাহ। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 27 DEC. 2019**

To

**(BOOK POST PARINTED MATTER)**

----------------------------------------------------------------------------

----------------------------------------------------------------------------

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844